# আমাৰ দৃষ্টিত অসম-২০৩০

■ ৰীতিমণি বৰদলৈ

**আমাৰ** দৃষ্টিত ৰাষ্ট্ৰসংঘই লোৱা বহনক্ষম বিকাশৰ ১৭টা লক্ষ্যই ২০৩০ চনত সমগ্ৰ কমনৱেলথ দেশসমূহত আমূল পৰিৱৰ্তন অনাৰ সন্ধিক্ষণত বা প্ৰচেষ্টাত অসমৰ ছবিখনে ২০৩০ চনত কেনে ৰূপ পাব, তাক চোৱাটো নিতান্তই জৰুৰী। আমাৰ বোধেৰে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমখন এনে ৰাজ্য, য'ত বহনক্ষম বিকাশৰ আটাইকেইটা লক্ষ্য সন্মুখত ৰাখি তাক ফলপ্ৰসূ কৰিবলৈ বিভিন্ন প্ৰচেষ্টা ইতিমধ্যে হাতত লোৱা হৈছে। Advantage Assam, Awesome Assam, Digital India-ৰ ভিতৰত গ্ৰহণ কৰা অসমৰ Digitisation আৰু Skill Development-ৰ বিভিন্ন পদক্ষেপ, Act East Policy, নাগৰিকত্ব সংশোধনী আইন ইত্যাদিয়ে উদ্যোগ, শিক্ষাখণ্ড, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ভৱিষ্যতে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱাটো স্বাভাৱিক।

সামগ্ৰিক ৰূপত অকপটে অহা ২০৩০ চনৰ অসমৰ ছবিখন দেখা-নেদেখা অৱস্থাত এখন ধূসৰ ছবি মনৰ মাজত পৰিস্ফুট হৈ উঠে। ২০০২ চনতে মোৰ দেউতা প্ৰয়াত গিৰিধৰ বৰদলৈয়ে মোক কোৱা কিছু কথা আজিৰ ক্ষণত এশ শতাংশই সঁচা যেন মোৰ উপলব্ধি হয়। ২০৩০ চনৰ অসম। আজিৰ পৰা প্ৰায় ১২ বছৰৰ পিছৰ কথা ভবাৰ লগে লগে মানসপটত আন্দোলিত হয় বহু আশা-নিৰাশাৰে ভৰা এটি উৎকণ্ঠাপূৰ্ণ আৱেগ-অনুভূতি। আজি বিভিন্ন সমস্যাৰে জৰ্জৰিত অসম দেশখনৰ ৰাজনৈতিক বাতাৱৰণ, আৰ্থ সামাজিক দিশ— শিক্ষা, স্বাস্থ্য, যাতায়াত ব্যৱস্থা, উদ্যোগ, কৃষি, বাণিজ্য, প্ৰাকৃতিক পৰিৱেশ, জনস্বাস্থ্য, জনসংযোগ, জীৱন-যাপনৰ মান, কলা-সংস্কৃতি আদিয়ে কেনেধৰণৰ ৰূপ পাব এই সকলোবোৰ দিশ সামৰি পৰ্যালোচনাৰ মাজেৰে ২০৩০ চনৰ অসমৰ ছবিখন নিম্নোক্ত আলোচনাৰে অংকন কৰি চোৱা হওক। ২০৩০ চনৰ অসমৰ বিষয়ে অৱলোকন কৰাৰ আগতে অসমৰ বৰ্তমান জ্বলন্ত সমস্যাসমূহ উল্লেখনীয়। বাঢ়ি অহা ভয়াৱহ নিবনুৱা সমস্যা, একাদিক্ৰমে দেশখনত হৈ থকা বানপানী, বৰ্ধিত জনসংখ্যা, কৃষি উদ্যোগ উন্নয়নৰ আঁচনিসমূহৰ ব্যৰ্থতা, বিভিন্ন জাতি-গোষ্ঠীৰ স্বকীয় কলাকৃষ্টি, ভাষা, ভূমি সংৰক্ষণৰ লগত সাংবিধানিক অধিকাৰৰ বাবে আন্দোলন, হতাশগ্ৰস্ত হৈ বাঢ়ি অহা বিভিন্ন উগ্ৰবাদী সমস্যা আদি এশ-এবুৰি সমস্যা বুকুত লৈ আৰু ১২ বছৰৰ পাছত অসমৰ সুস্থিৰতা অতি চিন্তাজনক।

সাৰ্বজনীন শিক্ষাৰ ক্ষেত্ৰত চৰকাৰীভাৱে চলিত শিক্ষা ব্যৱস্থাৰ লগতে নানা এন জি অ'ৰ তথা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে লোৱা ভূমিকাৰ বাবে ২০৩০ চনত অসমৰ শিক্ষাৰ হাৰ পূৰ্ণ সাক্ষৰতা হিচাপে ঘোষিত হোৱাটো স্বাভাৱিক। ফলত জনসাধাৰণৰ ৰাজনৈতিক তথা অৰ্থনৈতিক সচেতনতা বৃদ্ধিৰে দৰিদ্ৰ জনসাধাৰণৰ জীৱনধাৰণৰ মান উন্নীতকৰণৰ বাবে লোৱা নানা আঁচনিসমূহ উপলব্ধ হোৱাৰ লগতে কৰ্মসংস্থাপনৰ মাজেদি ভালেখিনি উপকৃত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিব। ইয়াৰ উপৰি জনসাধাৰণৰ এই সচেতনতাই সময়োচিত প্ৰয়োজনীয় প্ৰকল্পসমূহৰ সফল ৰূপায়ণৰ পথত বৃহৎ অৰিহণা যোগাব বুলি ভবাৰ থল আছে।

'সকলোৰে বাবে শিক্ষা'—এই মূলমন্ত্ৰৰ দ্বাৰা পৰিচালিত হোৱা সাধাৰণ শিক্ষাৰ মাধ্যমৰ বাদেও বিভিন্ন প্ৰযুক্তিমূলক শিক্ষা ব্যৱস্থাৰ পৰিধি ২০৩০ চনত অসমত যথেষ্ট বৃদ্ধি পোৱাটো নিশ্চিত। ফলত বিভিন্ন কাৰিকৰী শিক্ষানুষ্ঠানৰ মাধ্যমেৰে ২০৩০ চনৰ অসমলৈ এক আমূল পৰিৱৰ্তন অহাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এনে এটি পৰিৱৰ্তনৰ আমি অনুধাৱন কৰিব পাৰোঁ এইবুলি যে ক্ৰমাগতভাৱে বৰ্ধিত প্ৰতিযোগিতা আৰু বেছি প্ৰতিযোগিতামূলক হৈ পৰাটো নিশ্চিত।

প্ৰত্যাশিত কাৰিকৰী শিক্ষাৰ ব্যাপক প্ৰসাৰে অসমত স্ব-নিয়োজিত আঁচনিসমূহৰ সফল ৰূপায়ণৰ পথ সুগম কৰি তুলিব। ইয়াৰ জৰিয়তে বৰ্তমানৰ উচ্চ কাৰিকৰী সম্পন্ন তথা গুৰু উদ্যোগ হিচাপে কেইটামান তৈলক্ষেত্ৰ আৰু কয়লাখনি, বাণিজ্যিক দিশত ব্যক্তিগত খণ্ডৰ চাহ উদ্যোগৰ বাবে উদ্যোগৰ ক্ষেত্ৰত যি বৃহৎ অভাৱ আছে, সেয়া স্থানীয় লঘু তথা ক্ষুদ্ৰ উদ্যোগৰ স্থাপন আৰু প্ৰসাৰে উদ্যোগীকৰণৰ গতি ক্ষিপ্ৰতৰ কৰি তুলিব। অৱশ্যে এই উত্তৰণৰ ক্ষেত্ৰত বেংক সেৱাৰ গুৰুত্ব অপৰিহাৰ্য, কিয়নো অসমত এসময়ৰ বাঁহ-বেত, কাঁহ-পিতল আদি ক্ষুদ্ৰ উদ্যোগৰ যি ভূমিকা আছিল, সেয়া অৱলুপ্তিৰ অন্যতম কাৰণ হিচাপে অপৰ্যাপ্ত বেংকত ক্ৰেডিট ব্যৱস্থাকে আঙুলিয়াই দিব পাৰি।

আৰ্থ-সামাজিক দিশত নগৰ-চহৰ, গ্ৰাম্য অঞ্চলৰ বাসিন্দাসকলৰ কৃষিজীৱী-চাকৰিজীৱীৰ মাজত উন্নয়নৰ গতিধাৰা ভিন্নতাপূৰ্ণ পৰ্যায়ত চলি থকাৰ কাৰণেই দুখীয়া বেছি দুখীয়া, ধনী বেছি ধনীলৈ ৰূপান্তৰিত হোৱাটো প্ৰণিধানযোগ্য। ক্ৰমাগতভাৱে বাঢ়ি অহা নিবনুৱা সমস্যাৰ পৰিণামস্বৰূপে গুৰু উদ্যোগৰ ব্যৱস্থা নথকা অসমৰ বিভিন্ন মৃতপ্ৰায় ক্ষুদ্ৰ উদ্যোগসমূহ, ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ মাধ্যমেৰে তথা দৃশ্যমান সম্পদসমূহৰ ব্যৱহাৰৰ যোগেদি পুনৰুজ্জীৱিত আৰু কাৰ্যক্ষম হ'লে ২০৩০ চনত অসমৰ বিত্ত, আৰ্থ-সামাজিক দিশত যথেষ্টখিনি বিকাশ হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। এইক্ষেত্ৰত বৰ্তমান ভাৰত চৰকাৰে গ্ৰাম্য উন্নয়ন আঁচনিৰ যোগেদি নিবনুৱা যুৱকসকলৰ কৰ্মসংস্থাপনৰ বাবে যি প্ৰকল্প ৰূপায়ণৰ ব্যৱস্থা হৈছে, ইয়াৰ মাধ্যমেৰে আংশিকভাৱে নিবনুৱা সমস্যা সমাধান হোৱাটো নিশ্চিত। অৱশ্যে এইক্ষেত্ৰত প্ৰশাসন আৰু হিতাধিকাৰীৰ সম্পূৰ্ণ সৎচেষ্টাৰ প্ৰয়োজন আছে, অন্যথা আৰ্থ-সামাজিক দিশত কল্পিত ২০৩০ চনৰ স্বচ্ছল অসম বাস্তৱত ৰূপায়িত কৰাটো জটিল হৈ পৰিব। বানপানী সমস্যাই জুৰুলা কৰা অসমৰ কৃষিজীৱী ৰাইজে কাৰিকৰী কলা-কৌশল প্ৰয়োগত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ কৃষক চলিব লগা হোৱাটো অতি দুৰ্ভাগ্যজনক। উন্নত শস্য, উন্নত সংৰক্ষণ, পৰিৱেশৰ লগত খাপ খুৱাই উৎপাদন কৰিব পৰা উন্নত পদ্ধতিৰ অভাৱ, বিভিন্ন নিগমসমূহৰ সাহায্য প্ৰয়োজনসাপেক্ষে নোহোৱাৰ বাবদ বাহিৰৰ ৰাজ্যসমূহৰ পৰা কৃষিজাত সামগ্ৰী আমদানি কৰিবলগীয়া হোৱাত অসমৰ জনসাধাৰণ পৰামুখাপেক্ষী হোৱাৰ লগতে মূল্যবৃদ্ধিত জৰ্জৰিত হ'ব লগা হৈছে। কত ক্ষেত্ৰত বিজ্ঞানসন্মতভাৱে সম্পদসমূহৰ ব্যৱহাৰ আৱশ্যকীয় সংৰক্ষণ পদ্ধতিৰ উপলব্ধিৰ অভাৱত উদ্যোগমুখীভাৱে কৃষিকাৰ্যৰ প্ৰতি অৱহেলিত মানসিক প্ৰস্তুতি, উৎপাদিত সামগ্ৰীৰ মূল্যায়ন নিম্নগামী হৈ পৰাত (কোনো নিশ্চয়তা নথকাত) অসমৰ কৃষক ৰাইজ হতাশাত ভুগিবলগীয়া হৈছে। শিক্ষিত নিবনুৱাসকল কৃষিকাৰ্যৰ বাবে একেবাৰে বিমুখ হৈ পৰাটো সত্য তথা স্বাভাৱিক। গতিকে ২০৩০ চনৰ অসমত কৃষিৰ উৎপাদনৰ মান বিশেষ পৰিৱৰ্তন হ'ব বুলি আশা কৰিব নোৱাৰি।

অসমত বিগত কালসমূহত উত্তৰপৰীয়া, দক্ষিণপৰীয়া ভাব-ভাষা, চলন-ফুৰণ, ৰীতি-নীতি এক অচিনাক্ত পৰিৱেশৰ মাজেৰে পৰিচালিত হোৱাত সমগ্ৰ জাতীয় জীৱনৰ সকলো উন্নয়নৰ দিশত বাধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়, কিন্তু সুখৰ বিষয়— শংকৰ-মাধৱৰ জন্মই এই বাধা নেওচি এক ঐক্যৰ সেতু গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল। নাও, জাহাজৰ মাধ্যমেৰে সংযোজিত দেশখনৰ ব্ৰহ্মপুত্ৰৰ ওপৰেদি ছখনকৈ দলং হোৱাত যাতায়াতৰ বাণিজ্যকে ধৰি সকলো দিশতে ক্ৰমোন্নতি হ'বলৈ ধৰিলে। ব্ৰহ্মপুত্ৰৰ বুকুত আৰু নতুন দলং নিৰ্মাণৰ দাবীৰ লগতে নিৰ্মাণৰ সম্ভাৱনা, চহৰাঞ্চল, গ্ৰামাঞ্চলত সকলো প্ৰকাৰৰ যাতায়াত পৰিকল্পিতভাৱে নিৰ্মাণ ব্যৱস্থাৰে ২০৩০ চনলৈ অসম যথেষ্ট উন্নত হৈ পৰিব।

পৰিৱেশ উন্নয়নৰ ক্ষেত্ৰত বৰ্তমান শিক্ষাৰ প্ৰচাৰ, প্ৰাকৃতিক সম্পদসমূহৰ প্ৰতি মানৱ জাতিৰ দায়বদ্ধতা, জীৱজগতৰ কল্যাণৰ বাবে প্ৰাকৃতিক সম্পদসমূহৰ ভূমিকা সম্পৰ্কে বাঢ়ি অহা প্ৰমূল্যবোধ অতি আদৰণীয়। প্ৰাকৃতিক ভাৰসাম্যৰ প্ৰতি বাঢ়ি অহা সচেতনতাসমূহলৈ লক্ষ্য কৰি ক'ব পাৰি যে ২০৩০ চনৰ অসমে আংশিকভাৱে হ'লেও প্ৰাকৃতিক ভাৰসমতা ঘূৰাই পাব। অৱশ্যে বৰ্তমান হাৰত বৰ্ধিত তথা অপৰিকল্পিত নগৰীকৰণ ব্যৱস্থাই বিশেষকৈ নগৰ অঞ্চলসমূহৰ প্ৰাকৃতিক পৰিৱেশ আৰু অধিক অধঃনমিতহে কৰিব। ভোগবাদ আৰু আধুনিকতাৰ লগতে পশ্চিমীয়া সংস্কৃতিৰে অসমৰ চহৰীয়া জনজীৱন যি জটিলতম আৰু যন্ত্ৰ দুৰ্বল হৈ পৰিছে, যদি একে গতিত থাকে, তেন্তে ই চহৰাঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ গতি ২০৩০ চনলৈ লেহেমীয়াহে কৰিব।

এইটো অতি পৰিতাপৰ কথা যে ৰাজনৈতিক আৰু ভৌগোলিক দিশত এসময়ৰ বৰ অসম আজি আঠখন পৃথক ৰাজ্যত পৰিণত হ'ল। এক অসমীয়া জাতিসত্তাৰ নামত বিভিন্ন জাতি-উপজাতি, বিভিন্ন ভাব-ভাষাৰে পৰিপুষ্ট এক অসমীয়া বাহক অসমখন বিভিন্ন কাৰণত নিজৰ স্বকীয় বৈশিষ্ট্যসমূহ হেৰাই যোৱাৰ ভয়ত আৰু উন্নয়নৰ ক্ষিপ্ৰতা লাভৰ বাবে বিভিন্ন জনগোষ্ঠীয়ে আন্দোলন গঢ়ি তুলিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ পৃথক ৰাজ্য ব্যৱস্থাৰ দাবীৰ লগতে এক সুবিধাবাদী প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰৰোচনাত উগ্ৰবাদী সংগঠনৰ সৃষ্টিয়ে সৰ্বসাধাৰণ ৰাইজৰ জীৱন সংকটাময় আৰু ভীতিগ্ৰস্ত কৰি তুলিছে। অহেতুকভাৱে বাঢ়ি অহা জনসংখ্যা, বিভিন্ন জনগোষ্ঠীৰ বিচ্ছেদমূলক ভাবধাৰা, ইটো জনগোষ্ঠীৰ প্ৰতি সিটো জনগোষ্ঠীৰ অহেতুক শংকা তথা সন্দেহৰ ফলত অসমৰ ভৌগোলিক অখণ্ডতা 'এক অসমীয়া জাতীয় সত্তা' অতি বিপদাপন্ন হৈ পৰাটো পৰিলক্ষিত হৈছে। ২০৩০ চনৰ সময়ত তেনেবোৰ ভিন্নতাবাদৰ ভূমিকাই সংখ্যালঘুসকলক সংখ্যাগুৰু আৰু সংখ্যাগুৰুসকল সংখ্যালঘু হৈ পৰাটো একেবাৰে স্বাভাৱিক। সেয়েহে বৰ্তমান প্ৰশাসন ব্যৱস্থাই ৰাজনৈতিক বিচক্ষণতাৰে এই সমস্যাসমূহৰ উচিত সমাধান নকৰিলে ২০৩০ চনত অসমৰ অখণ্ডতাৰ প্ৰতি ভাবুকি অহাটো স্বাভাৱিক। এইখিনিতে উল্লেখ কৰাটো সমীচীন হ'ব যে সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যৰে ভৰপূৰ অসমখন প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ স্বকীয়তাৰ প্ৰতি যাতে কোনোধৰণৰ ভাবুকি নাহে, তাৰ বাবে কিন্তু সময়োচিত পদক্ষেপ গ্ৰহণ কৰা উচিত। সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশসমূহ চালিজাৰি চাই উল্লেখ কৰিব পাৰি যে ২০৩০ৰ অসমৰ এই ছবিখনে বাস্তৱ ৰূপ পাবলৈ হ'লে ক্ৰমান্বয়ে বাঢ়ি অহা বিভিন্ন উন্নয়নমুখী প্ৰকল্প, পৰিৱৰ্তিত প্ৰশাসনিক বিধি-ব্যৱস্থা, বিভিন্ন সমস্যাৰ সম্ভাব্য সমাধানসমূহ জনসাধাৰণৰ মাজত বহুলভাৱে প্ৰচাৰ হ'ব লাগিব। ইয়াৰ উপৰি ক্ৰমাগতভাৱে বৰ্ধিত বিভেদমূলক দৃষ্টিভংগীৰ মুক্ত সমালোচনা আৰু সীমাহীন দুৰ্নীতি-ভ্ৰষ্টাচাৰ বৃদ্ধিৰ প্ৰতিবাদত হোৱা আলোচনা-সমালোচনাই জনসাধাৰণৰ ওচৰ পোৱাকৈ চৰকাৰী খণ্ডতেই হওক বা ব্যক্তিগত খণ্ডতেই হওক ইতিমধ্যে প্ৰতিষ্ঠিত সংবাদ ও প্ৰচাৰ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। কিয়নো সংবিধানৰ চতুৰ্থ স্তম্ভ স্বৰূপ সংবাদ আৰু প্ৰচাৰ মাধ্যমে গণতান্ত্ৰিক সমাজ ব্যৱস্থা নিয়ন্ত্ৰণ আৰু উন্নয়নত অভূতপূৰ্ব অৱদান যোগাই আহিছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে অৰ্থনৈতিক সুপৰিকল্পনা, ৰাজনৈতিক তথা প্ৰশাসনিক ব্যৱস্থাত E-Governance ব্যৱস্থা আৰু সামাজিক, সাংস্কৃতিক জীৱনৰ প্ৰমূল্যবোধ উত্তৰণৰ যোগেদি ২০৩০ৰ অসম হওক সমস্যাবিহীন এক উন্নত ৰাজ্যৰ উজ্জ্বলতম প্ৰতীক।

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, দিছপুৰ**